# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 16-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::::::**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বিৰুবাৰীত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য ১৫ আগষ্টৰ পূৰ্বে সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য ৮০ শতাংশ সম্পূৰ্ণ হৈছে আৰু বহিঃবিভাগৰ সেৱা আগবঢ়াই থকা হৈছে।

ইপিনে, ৰাজ্যৰ চিকিৎসালয়সমূহ যাতে ৫০ ৰ পৰা ৭৫ বছৰলৈ প্ৰাসঙ্গিক হৈ থাকে সেই কথা বিবেচনা কৰি বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয়ৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে অক্টোবৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'বলগীয়া এই চিকিৎসালয়খনত ৮০০খন বিছনা থাকিব আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষৰ কাৰ্যালয় এই চিকিৎসালয়লৈ স্থানান্তৰ কৰা হ'ব। তেওঁ কয় যে নিৰ্মীয়মান মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত স্নায়ুবিজ্ঞান, হৃদৰোগকে ধৰি বিভিন্ন ছুপাৰ স্পেচিয়েলিটী সেৱা উপলব্ধ হ'ব। চিকিৎসালয়খনত বৃক্ক সংৰোপনৰো ব্যৱস্থা থাকিব। ৮০০খন বিছনাযুক্ত এই চিকিৎসালয়খনৰ নিৰ্মাণ পূৰ্ণ গতিত চলি আছে।

০০০০০

ৰাজ্যবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন কৰে। বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত আজি জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

তামুলপুৰ জিলাৰ কুমাৰিকাটাত আজি উলহ মালহেৰে ৰংজালি বৈশাগু বিহু উদযাপন কৰা হয়। ভাৰত-ভূটান সীমান্তৱৰ্তী বগাজুলিত দিনযোৰা কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন জাতি -জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰে আৰু জাতীয় সাজ-পাৰ পৰিধান কৰি অধিবেশনস্থলী জীপাল কৰি তোলে। এই অনুষ্ঠানত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ উপৰি অৰুণাচল প্ৰদেশৰ পৰা চিংফো ৰজাকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ভূটান আৰু ভাৰতৰ

নাগৰিকৰ মাজত বন্ধুত্ব স্থাপনৰ উদ্দেশ্যে এটা বিশেষ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। আজিৰ ৰংজালি বৈশাগু বিহুত অংশ লৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অঞ্চলটোৰ লগতে সমগ্ৰ অসমবাসীক ৰঙালী বিহু আৰু অসমীয়া নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে, ৰাজ্যিক বিজেপিৰ সভাপতি দিলিপ শইকীয়াই সকলোকে ৰঙালী বিহুৰ শুভেচ্ছা জনাই সংবাদ মাধ্যমৰ আগত কয়, যে দলৰ সকলো কাৰ্যকৰ্তাই দলীয় অনুশাসন মানি চলিব লাগিব। বিটিআৰৰ কাৰ্যবাহী সদস্য ড° ধৰ্মনাৰায়ণ দাস, ৰনেন্দ্ৰ নাৰ্জাৰী, দৰঙাজুলি পৰিষদীয় সমষ্টিৰ পাৰিষদ বিজিত গৌৰা নাৰ্জাৰী, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত ভাগ লয়। সাংস্কৃতিক অনুষ্ঠানত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা অহা শিল্পীসকলৰ উপৰিও অসমৰ কেইবাগৰাকীও শিল্পীয়ে অনুষ্ঠান পৰিবেশন কৰি নিজ নিজ সংস্কৃতি সুন্দৰভাৱে প্ৰদৰ্শন কৰে।

ooooo

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে। অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আজি শুনানি গ্ৰহণ কৰে। ন্যায়ালয়ে এই গোচৰটোৰ শুনানি কাইলৈৰ পৰা প্ৰতি দিনে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত খণ্ড আদালতে আজি দিনৰ ২ বজাৰ পৰা এই গোচৰটোৰ শুনানি আৰম্ভ কৰে। সৰ্বোচ্চ ন্যায়ালয়ে আজি কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰৱৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

ooooo

ড° অংকুৰ বৰুৱাই ভাৰত চৰকাৰৰ মহাৰত্ন অইল আৰু গেছ চি পি এছ ই অইল ইণ্ডিয়া লিমিটেডৰ সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ড° বৰুৱাই অইলৰ কাৰ্যবাহী সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰায় তিনি দশকৰো অধিক সময় মানৱ সম্পদ ব্যৱস্থাপনাৰ সৈতে জড়িত থাকি শক্তি খণ্ডত উৎকৃষ্টতাৰ মাপকাঠি হিচাপে অইলৰ স্থান শক্তিশালী কৰাৰ ক্ষেত্ৰত ড০ বৰুৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

ooooo

অসম সহ উত্তৰ পূৰ্বাঞ্চল  চুবুৰীয়া প্ৰথম, এক্ট ইষ্ট আৰু বিমষ্টেকৰ দৰে নীতিসমূহৰ ক্ষেত্ৰত দেশৰ কেন্দ্ৰস্বৰূপ আৰু অনাগত সময়ত অঞ্চলটোৰ প্ৰাসংগিকতা বৃদ্ধি পাব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। আসন্ন উত্তৰ পূৰ বিনিয়োগকাৰী সন্মিলন ২০২৫ সম্পৰ্কে কালি ৰাষ্ট্ৰদূতসকলৰ এখন বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে উত্তৰ পূৰ উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে অঞ্চলটোৰ  বৈশিষ্টসমূহৰ অন্বেষণ কৰিবলৈ আৰু নিজৰ উদ্যোগৰ প্ৰসাৰ সাধন কৰিবলৈ আহ্বান জনায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নতুন দিল্লীত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে-ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ১৮৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাজস্থান ৰয়েলছে টছত জিকি ডেলহি কেপিটেলছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ডেলহি কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৮৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ